بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## ওৱাকফে জাদিদৰ ৬৮ তম বছৰত জামাতৰ সদস্য সকলে আগবঢ়োৱা আৰ্থিক কোৰবাণী সমূহৰ উল্লেখ আৰু ৬৯ তম বছৰৰ আৰম্ভণিৰ ঘোষণা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ০৯ জানুৱাৰী ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাছাহুদ তাউজ, ছুৰা ফাতিহা আৰু ছুৰা আল ইমৰানৰ ৯৩ নং আয়াত পাঠ কৰা পাছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ইয়াৰ অনুবাদ কৰি কয় যে তোমালোকে প্ৰকৃত পুণ্য অৰ্জন কৰিব নোৱাৰা যেতিয়ালৈকে নিজৰ পছন্দনীয় বস্তু আল্লাহৰ পথত খৰচ নকৰা; যি বস্তু তোমালোকে খৰচ কৰা আল্লাহ সেয়া ভালদৰে জানে। কৈছে, ইয়াৰ ব্যাখ্যা কৰি হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)য়ে লিখিছে যে কোৰআন কৰিমত ছুৰা বাকাৰাৰ আৰম্ভণিতে মুত্তাকী সকলৰ বিষয়ে কৈছে, **ওৱা মিম্মা ৰাজাকনাহুম ইউনফিকুন,** অৰ্থাৎ আল্লাহ তা'লাই তোমালোকক যি দান কৰিছে তাৰ পৰা খৰচ কৰা। এইটো প্ৰথম ৰুকুৰ উল্লেখ হয়। এই ছুৰাত বিভিন্ন ঠাইত আল্লাহৰ পথত খৰচ কৰা সন্দৰ্ভত বিশেষকৈ মনোযোগ আকৰ্ষণ কৰা হৈছে। গতিকে তোমালোকে প্ৰকৃত পুণ্য অৰ্জন কৰিব নোৱাৰা যেতিয়ালৈকে নিজৰ সম্পত্তিৰ পৰা খৰচ নকৰা। মোৰ দৃষ্টিত **মিম্মা তুহিববুনৰ** অৰ্থ হৈছে সম্পদ। কিয়নো আল্লাহ তা'লাই কৈছে, **ওৱা ইন্নাহু লিহুববিল খায়ৰি লাশ্বাদিদ,** অৰ্থাৎ মানুহৰ বাবে ধন-সম্পদ অতি প্ৰিয়। সেয়েহে প্ৰকৃত পুণ্য অৰ্জন কৰাৰ বাবে প্ৰয়োজনীয় যে নিজৰ পছন্দনীয় ধন-সম্পত্তিৰ পৰা খৰচ কৰা।

হজৰত মছীহ মাওউদ (আঃ)য়ে এই বিষয়ে বিভিন্ন ঠাইত ব্যাখ্যা কৰিছে। এঠাইত তেখেত (আঃ)য়ে কৈছে যে অসাৰ আৰু বেয়া বস্তু খৰচ কৰি মানুহে পুণ্য অৰ্জন কৰাৰ দাবী কৰিব নোৱাৰে। পুণ্যৰ দুৱাৰখন হৈছে সংকীৰ্ণ। গতিকে এই কথা মস্তিষ্কত বহাই লওক যে অসাৰ বস্তু খৰচ কৰি

কোনোবাই সেই দুৱাৰেদি প্ৰৱেশ কৰিব নোৱাৰে। যদি কষ্ট সহ্য কৰিব নিবিচাৰে আৰু প্ৰকৃত পুণ্য কাম কৰিব নিবিচাৰে, তেন্তে কেনেকৈ লক্ষ্যত সফল হ'ব পাৰিব ?

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে সেইসকল লোক, যিসকলে কেতিয়াবা ভাল কাম কৰে, কিন্তু নিজৰ আৰ্থিক কোৰবাণী সেই মানদণ্ডৰ নহয়, যিদৰে সাধাৰণ মধ্যম শ্ৰেণীৰ আহমদীৰ হোৱা উচিত। গতিকে এনেকুৱা লোকসকলে চিন্তা কৰা উচিত যে আল্লাহ তা'লাই কৈছে, যি বস্তুক তোমালোকে ভালপোৱা, সেয়া আল্লাহৰ পথত খৰচ কৰা, তেতিয়াহে তোমালোকে আল্লাহৰ সন্তুষ্টি অৰ্জন কৰিব পাৰিবা, আৰু খোদাৰ কৃপাৰ উত্তৰাধিকাৰী হ'ব পাৰিবা। আল্লাহ তা'লাই কেৱল এটা দুটা ঠাইত নহয়, বৰঞ্চ কোৰআন কৰিমৰ বিভিন্ন ঠাইত আল্লাহৰ পথত খৰচ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আল্লাহ তা'লাৰ কৃপাত জামাত আহমদীয়াৰ সদস্যসকলৰ বেছিভাগে আনন্দৰে আৰ্থিক কোৰবাণীত অংশ লয়। কিন্তু কিছুমান এনেকুৱা আছে যিসকলে ইয়াৰ প্ৰতি ইমান গুৰুত্ব নিদিয়ে, গতিকে তেওঁলোকে এই কথা মনত ৰখা উচিত যে আল্লাহ পথত ব্যয় কৰা অতি প্ৰয়োজনীয়। অধিক উপাৰ্জন কৰা সকলে এই তেহেৰিকত আগ্ৰহী হৈ অংশ লয়। কিন্তু ইয়াত এই কথা ক'ব বিচাৰো, যিসকলে নিজৰ চান্দা হিচ্চা আমদ (উপাৰ্জনৰ ওপৰত ভিত্তি কৰি বাজেট বনোৱা) শ্বৰাহ অনুযায়ী নিয়মিতভাৱে আদায় নকৰে, তেওঁলোকে নিজৰ পৰ্যবেক্ষণ কৰা উচিত।

এই সন্দৰ্ভত আঁহজৰত (ছাঃ)য়ে হাদীছৰ বিভিন্ন ঠাইত এই কথাৰ ফালে উপদেশ দি কৈছে যে আৰ্থিক কোৰবাণী কৰা উচিত। হজৰত হাছান (ৰাঃ)ৰ পৰা বৰ্ণিত, এইটো হাদীছে কুদুছি হয়। তেখেত (ছাঃ)য়ে আল্লাহৰ উদ্ধৃতি দি কৈছে, হে আদমৰ সন্তানসকল! তোমালোকে নিজৰ ধন-সম্পদ মোৰ ওচৰত জমা ৰাখি সন্তুষ্ট হোৱা, তাতে জুই লগাৰ কোনো ভয় নাই, পানীত ডুবি যোৱাৰো কোনো শংকা নাই আৰু চুৰি হোৱাৰো কোনো ভয় নাই। মোৰ ওচৰত জমা থোৱা সম্পত্তি যিদিনা তোমালোকে ইয়াৰ ওপৰত নিৰ্ভৰশীল হ'বা, তেতিয়া মই তোমালোকক পৰিপূৰ্ণভাৱে আদায় কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আমি সৌভাগ্যবান যে আজি আহমদীসকলৰ বেছিভাগে এই কথা বুজি পায়। তেওঁলোকে আল্লাহৰ পথত অগণন খৰচ কৰে। হজৰত মছীহ মাওউদ (আঃ)ৰ যুগত আল্লাহৰ পথত খৰচ কৰাৰ এনেকুৱা উদাহৰণ পোৱা যায়, সেয়া দেখি তেখেত (আঃ)য়ে এবাৰ কৈছে যে মই আচৰিত হওঁ যে দুখীয়া লোকসকলে ধৰ্মৰ স্বাৰ্থত কেনেকৈ ইমান খৰচ কৰে। আজিও একেই পৰিস্থিতি। মই দেখিবলৈ পাওঁ যে অধিক সংখ্যক দুখীয়া বা মধ্যম শ্ৰেণীৰ উপাৰ্জনকাৰীয়ে বৃহৎ পৰিমাণে কোৰবাণী আগবঢ়ায়, কিয়নো তেওঁলোকে জানে যে আল্লাহ তা'লাই এই সম্পত্তি আমাক ঘূৰাই দিব বা আল্লাহ তা'লাৰ কৃপাৰ উত্তৰাধিকাৰী হ'ব পাৰিম। এইটো কেনেদৰে হ'ব ? আল্লাহ তা'লাই উত্তম জানে, ইহকালতো আৰু পৰকালতো। মূল কথা এইটো যে আল্লাহ তা'লাই পৰলোকত সেয়া উভতাই দিব। খোদাৰ পৰা পুৰস্কাৰ লাভ কৰিব। এই কোৰবাণী তেওঁলোকৰ বাবে মৰ্যাদা উন্নতিৰ কাৰণ হৈ পৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে সদায় এই কথা মনত ৰখা উচিত যে আমি তাকওৱা আৰু পৱিত্ৰতাৰ ক্ষেত্ৰত কিমান উন্নতি লাভ কৰিব পাৰিছোঁ। ইয়াৰ মানদণ্ড হৈছে কোৰআন। আল্লাহ তা'লাই ধাৰ্মিক সকলৰ লক্ষণ সমূহৰ মাজৰ এটা লক্ষণ এইটো লিখিছে যে মুত্তাকী সকলক জগতৰ

ঘৃণনীয় কামৰ পৰা মুক্ত কৰি তেওঁলোকৰ কামৰ নিজেই যত্ন লয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে আকৌ কৈছে, এতিয়া মই ওৱাকফে জাদিৰ বিষয়ে আলোচনা কৰিম। সেয়ে মই সেই লোকসকলৰ কিছু উদাহৰণ দাঙি ধৰিম, যিসকলে ওৱাকফে জাদিদৰ চান্দা আদায় কৰিছে আৰু তেওঁলোকৰ ওপৰত খোদা তা'লাৰ কৃপা বৰ্ষিত হৈছে বা তেওঁলোকে আল্লাহৰ ওপৰত কি পৰিমাণে বিশ্বাস স্থাপন কৰিছে, তেওঁলোকে যদি আল্লাহৰ পথত ব্যয় কৰে, তেন্তে আল্লাহ তা'লাই নিশ্চয় তেওঁলোকৰ প্ৰয়োজনীয়তা পূৰণ কৰিব।

এই উপলক্ষে হুজুৰ আনোৱাৰ (আইঃ)য়ে ইণ্ডোনেচীয়া, কেনিয়া, কাজাকিস্তান আদি ৰাষ্ট্ৰসমূহৰ আৰ্থিক কোৰবাণী কৰা সকলৰ ঈমান উদ্দীপক ঘটনা বৰ্ণনা কৰি কয়, ইণ্ডোনেচীয়াৰ ওৱাকফে জাদিদৰ ইন্সপেক্টৰ চাহাবে লিখিছে যে তেওঁ এটা জামাতত এজন ব্যক্তিৰ ওচৰলৈ যায়, তেওঁৰ যোল্ল হাজাৰ ওৱাকফে জাদিদৰ চান্দা বাকী আছিল। তেওঁ বৃহৎ অংকৰ কিস্তি আদায় কৰিবলগীয়া আছিল। আমি তাতে উপস্থিত হোৱাৰ পিছত তেওঁ কলে যে মই নিজৰ EMI ৰ কিস্তি দিবলগীয়া আছে, সেয়া দেখা যাব, কোনো সময়ত আদায় কৰিম, কাৰণ এতিয়া মোৰ চান্দা বাকী আছে আৰু আপুনিও আহি গৈছে। গতিকে মই প্ৰথমে চান্দা আদায় কৰি দিওঁ। আমি তেওঁক কলো যে আপুনি সমস্যাৰ সন্মুখীন হৈ আছে, গতিকে এতিয়া আধা চান্দা আদায় কৰি দিয়ক, বাকী বেলেগ সময়ত আদায় কৰিব। তেওঁ উত্তৰ দিলে যে প্ৰথমে আল্লাহৰ বাবে উলিয়াও, সমস্যাবোৰ আল্লাহ তা'লাই সমাধান কৰিব, ইনশ্বা আল্লাহ- যদি মই আল্লাহৰ প্ৰতি ভয় কৰি কাম কৰি আছো আৰু আল্লাহৰ ওপৰত সম্পূৰ্ণৰূপে ভৰসা কৰো, তেন্তে আল্লাহ তা'লাই উত্তম উপায় উলিয়াই দিব। পিছত তেওঁ ফোনৰ যোগেদি সংবাদ দিয়ে যে এটা বিশাল আকাৰৰ ধন বহু দিন ধৰি বাকী পৰি আছিল, ইমান সোনকালে সেয়া পাম বুলি আশা কৰা নাছিলো, সেই ধন ৰাশি হঠাতে মই পাই গলো। এইদৰে আল্লাহ তা'লাই চান্দাৰ কল্যাণেৰে মোৰ সমগ্ৰ কাম সমাধান কৰিলে, আৰু মোৰ ঈমানো বৃদ্ধি পালে। মই দেখিবলৈ পালো যে কোৰবাণী কৰা লোকসকলৰ সৈতে আল্লাহ তা'লাই কেনেদৰে ব্যৱহাৰ কৰে।

ওৱাকফে জাদিদৰ আৰ্থিক জেহাদত কোৰবাণী কৰা নিষ্ঠাবান লোকসকলৰ বিভিন্ন ঈমান উদ্দীপক ঘটনাৱলী আৰু তেওঁলোকৰ ওপৰত অসাধাৰণ কৃপা বৰ্ষিত হোৱাৰ কথা উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে ৰাষ্ট্ৰ আৰু জামাত সমূহে স্থান লাভ কৰাৰ কথা উল্লেখ কৰে। আল্লাহ তা'লাৰ কৃপাত এই বছৰত বিশ্বজুৰি আহমদিয়া জামাতৰ ফালৰ পৰা প্ৰায় ১৫ মিলিয়ন পাউণ্ড আৰ্থিক কোৰবাণী আগবঢ়াইছে। এই সংগ্ৰহ কৰা চান্দা বিগত বছৰতকৈ ১.৩ মিলিয়ন পাউণ্ড বেছি হয়। চান্দা সংগ্ৰহ কৰাৰ ক্ষেত্ৰত **বিশ্বৰ প্ৰথম দহটা জামাত ঃ-** ইংলেণ্ড, কেনেডা, জাৰ্মান, আমেৰিকা, ভাৰত, অষ্ট্ৰেলিয়া, মিডিল ইষ্টৰ এখন জামাত, ইণ্ডোনেচীয়া, মিডিল ইষ্টৰ এখন জামাত আৰু বেলজিয়াম। **আফ্ৰিকাৰ প্ৰথম দহটা জামাত ঃ-** ঘানা, মৰিছাচ, বৰকিনাফাছো, তাঞ্জানিয়া নাইজেৰিয়া, লাইবেৰিয়া, কেম্বিয়া, ছেৰালিউন, বেনিন আৰু মালি। **বৃদ্ধিৰ ক্ষেত্ৰত স্থান লাভ কৰা জামাতসমূহ ঃ-** নাইজেৰিয়া, নাইজেৰ, গেম্বিয়া, গিনিবছাও, কোঙ্গো ব্ৰাজাভিল, আইভৰিকোষ্ট, চেণ্টেল আফ্ৰিকা আৰু কংগো-কিনশ্বাছা।

**ভাৰতৰ প্ৰথম স্থান লাভ কৰা দহটা ৰাজ্য ঃ-** কেৰালা, তামিলনাডু, জম্মু-কাশ্মীৰ, তেলেংগানা, কৰ্ণাটক, উৰিষ্যা, পঞ্জাব, পশ্চিম বংগ, মহাৰাষ্ট্ৰ আৰু উত্তৰ প্ৰদেশ। **ভাৰতৰ প্ৰথম স্থান লাভ কৰা দহটা জামাত ঃ-** কোইম্বটোৰ, হায়দৰাবাদ, কাদিয়ান, কালিকট,মেলাপালয়ম, বেংগালুৰু, মঞ্জেৰি,

কলিকতা, কেৰেং আৰু কেৰুলাই।

আল্লাহ তা'লাই কোৰবাণী কৰা  সকলোৰে ধন-সম্পদ আৰু প্ৰাণৰ ওপৰত অসীম কল্যাণ বৰ্ষিত কৰক। কিছুমান জামাতৰ নাম মই এই কাৰণেই লওঁ যে তেওঁলোকে কয় যে আমাৰ জামাতৰ স্থান কি সেয়া আমাক জনাওক, এই কাৰণে ক্ৰম অনুসৰি পঢ়া হয়।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ আৰ্থিক কোৰবাণীৰ গুৰুত্ব সন্দৰ্ভত এটা উদ্ধৃতিৰ আলোকত কয় যে এইটো আল্লাহ তা'লাৰ বিশেষ কৃপা আৰু আমাৰ অভিজ্ঞতাও আছে যে আল্লাহ তা'লাই কিদৰে লোকসকলক দান কৰে, কাৰণ তেওঁলোকে বিশ্বাস কৰে যে আল্লাহ তা'লাৰ ওচৰত সমগ্ৰ ভঁৰাল আছে। সেইজনাই পৰকালত ইয়াৰ পৰা তেওঁলোকক দান কৰিব, কিন্তু এই জগততো প্ৰদান কৰি থাকিব। মানুহে আচৰিত হৈ পৰে যে আল্লাহ তা'লাই আমাক কেনেকৈ দান কৰে। আল্লাহ তা'লা আমাক আৰ্থিক কোৰবাণীৰ সৌভাগ্য দান কৰক, আৰু আমাৰ ঈমান আৰু বিশ্বাসো বৃদ্ধি কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 09 JANUARY 2026**

## BOOK POST (PRINTED MATTER)

TO,

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB